## দাবি প্ৰত্যাখ্যান ঃ

যদি কাৰ্ড লোৱাৰ পৰৱৰ্তী পৰ্যায়ত এইটো প্ৰমাণিত হয় যে হিতাধিকাৰীয়ে বাৰ্ষিক আয়ৰ ভুল তথ্য দি এই কাৰ্ড সংগ্ৰহ কৰিছে, তেন্তে এই কাৰ্ড খন তৎকালিনভাৱে নাকচ কৰা হ'ব।

সকলো অটল অমৃত অভিযানৰ হিতাধিকাৰী পৰিচয় পত্ৰবোৰ নগদ বিহীন চিকিৎসাৰ বাবে ১৫ আগষ্ট ২০১৭ তাৰিখৰ পৰা অথবা চৰকাৰে ঘোষণা কৰা তাৰিখৰ পৰা কাৰ্য্যকাৰী হ'ব। দৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ (APL) সকলো হিতাধিকাৰীৰ পৰা পঞ্জীয়ণৰ সময়ত মাছুল হিচাপে ১০০/- টকা লোৱা হ'ব। আনুষ্ঠানিক সক্ৰিয়কৰণ তাৰিখ পৰ্যন্ত, এই পৰিচয় পত্ৰখন চিকিৎসালয়বোৰত ব্যৱহাৰ কৰিব নোৱাৰিব।

২৪×৭ বিনামূলীয়া সহায়ক নম্বৰ

**১ ৮০০ ১০২ ৭৪৮০**

www.aaa-assam.com

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ,
অসম চৰকাৰ

ad plus | Ghy-37

সত্যমেৱ জয়তে
অসম চৰকাৰ

# অটল অমৃত অভিযান

অসমৰ ৰাইজৰ বাবে অসম চৰকাৰৰ
এক অভিলাষী স্বাস্থ্য নিশ্চয়তা প্ৰদান আঁচনি



## অটল অমৃত অভিযানৰ অধীনস্থ কি সুবিধা লাভ কৰিব পাৰি?

**অটল অমৃত অভিযান** হ'ল দৰিদ্ৰ সীমাৰেখাৰ তলৰ (বি.পি.এল.) আৰু দৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ পৰিয়ালৰ (যাৰ বাৰ্ষিক আয় ৫ লাখতকৈ কম) প্ৰতিজন সদস্যৰ হিতাৰ্থে শুভাৰম্ভ কৰা এক স্বাস্থ্য নিশ্চয়তা প্ৰদান আঁচনি। এই আঁচনি অনুসৰি মুঠ ৬ টা ৰোগৰ (Disease Group) ৰ অন্তৰ্গত নিৰ্দিষ্ট চিকিৎসা পদ্ধতিৰ (Selected Procedure) ক্ষেত্ৰত চিকিৎসাকালীন ব্যয় বহনৰ সুবিধা তালিকাভুক্ত (Empanelled Hospitals) চৰকাৰী-বেচৰকাৰী বা ৰাজ্যৰ বাহিৰৰ চিকিৎসালয়ত উপলব্ধ হ'ব। এই চিকিৎসা ব্যয় বহনৰ সৰ্বোচ্চ সীমা হ'ব ২ লাখ টকা। এই সুবিধা ৰোগীয়ে নগদ ধনৰ লেনদেন নকৰাকৈ অটল অমৃত অভিযানৰ কাৰ্ড পঞ্জীয়ন কৰি সেই কাৰ্ডৰ জৰিয়তে গ্ৰহণ কৰিব পাৰিব। এই সম্পৰ্কে তলত সবিশেষ উল্লেখ কৰা হ'ল।

অটল অমৃত অভিযানৰ হিতাধিকাৰী এজনে চিকিৎসালয়লৈ যোৱাৰ প্ৰতিবাৰ ভ্ৰমন ব্যয়ৰ বাবদ ৩০০/- টকা হিচাবে বছৰি ৩০০০/- টকা পৰ্যন্ত লাভ কৰিব। কিন্তু এই মূল্য আঁচনিৰ প্ৰতি হিতাধিকাৰীৰ বছৰেকীয়া চিকিৎসাকালীন সাহায্যৰ ২ লাখ টকাৰ ভিতৰুৱা হ'ব।

## অটল অমৃত অভিযানৰ অধীনত সামৰি লোৱা ৰোগ ৬ টা কি কি?

অটল অমৃত অভিযানৰ অধীনত তলত উল্লেখিত ৬ টা ৰোগৰ নিৰ্দিষ্ট চিকিৎসা পদ্ধতিক সামৰি লোৱা হ'বঃ–

- হৃদ ৰোগ (Cardiovascular Diseases)
- কৰ্কট ৰোগ (Cancer)
- বৃক্কজনিত ৰোগ (Kidney Diseases)
- নৱজাতকৰ ৰোগ (Neo-natal Diseases)
- স্নায়বিক ৰোগ (Neurological conditions)
- জুইয়ে পোৰা (Burns)

উল্লেখযোগ্য যে এই আঁচনিৰ আৰম্ভণিৰ পূৰ্বৰে পৰা হৈ থকা ৰোগবো চিকিৎসা কৰিলে আঁচনিৰ আওতাত সামৰি লোৱা হ'ব।

## নগদ বিহীন সেৱা মানে কি? হস্পিতালত চিকিৎসাৰ সময়ত কিবা ধন আদায় দিব লাগিব নেকি?

অটল অমৃত অভিযানৰ কাৰ্ড লাভ কৰা ৰোগীয়ে তালিকাভুক্ত চিকিৎসালয়ত উল্লেখিত ৬ টা ৰোগৰ চিকিৎসাকালত সৰ্বোচ্চ ২ লাখ টকা পৰ্য্যন্ত কোনো নগদ লেন দেন ৰোগীৰ ফালৰ পৰা কৰিব নালাগে, তেওঁলোকে কেৱল অটল অমৃত অভিযানৰ কাৰ্ড আৰু যাবতীয় নথি পত্ৰ প্ৰদৰ্শন কৰিব লাগিব। এই প্ৰক্ৰিয়াৰ সবিশেষ ৮ নং দফাত উল্লেখ কৰা হৈছে। এইক্ষেত্ৰত কোনো ধন আদায় দিব নালাগে।

## চিকিৎসা কৰা তালিকাভুক্ত চিকিৎসালয়খনত ৰোগীয়ে কোনো বিশেষ পেকেজ চাৰ্জ (Package Charge) আদায় দিব লাগে নেকি?

পেকেজ চাৰ্জ যেনে ঔষধ, পৰীক্ষাগাৰৰ যাৱতীয় পৰীক্ষা, ৰোগীৰ বিছনাৰ ভাড়া, অন্য সামগ্ৰী, খাদ্য ইত্যাদিৰ চিকিৎসাকালীন ব্যয়ৰ লগত সম্বন্ধিত সকলো ব্যয় এই আঁচনিৰ পেকেজৰ অন্তৰ্গত। এইবোৰৰ বাবে চিকিৎসালয়ে ৰোগীৰ পৰা কোনো মাচুল ল'ব নোৱাৰিব।

## এজন হিতাধিকাৰীয়ে অটল অমৃত অভিযানৰ তালিকাভুক্ত চিকিৎসালয়লৈ গ'লে কেনেধৰণে চিকিৎসা সম্পৰ্কীয় ব্যৱস্থাসমূহ গ্ৰহণ কৰিব?

**পৰ্য্যায় ১ঃ** হিতাধিকাৰীয়ে মহকুমা চিকিৎসালয়/জিলা চিকিৎসালয়/মেডিকেল কলেজ হস্পিতাল/যিকোনো তালিকাভুক্ত চিকিৎসালয়লৈ গ'লে পোন প্ৰথমে সহায়ক কেন্দ্ৰ (Help Desk)ত গৈ আৰোগ্য মিত্ৰক সাক্ষাৎ কৰা উচিত।

**পৰ্য্যায় ২ঃ** আৰোগ্য মিত্ৰজনে হিতাধিকাৰীৰ কাৰ্ড পৰীক্ষা কৰি হিতাধিকাৰীজনক চিকিৎসালয়ত ভৰ্তি হোৱাৰ বাবে অটল অমৃত অভিযানৰ আওতাত অহা প্ৰাথমিক পৰীক্ষা-নিৰীক্ষাসমূহ সমাপন কৰিব।

**পৰ্য্যায় ৩ঃ** ইয়াৰ পিছত ৰোগীজনৰ স্বাস্থ্য পৰীক্ষাৰ প্ৰতিবেদনৰ ভিত্তিত ৰোগীক ভৰ্তি কৰা আৰু সেই অনুসাৰে অটল অমৃত অভিযানৰ ৰূপায়ন সহায়ক এজেন্সি [Implementing Support Agency (ISA)]ৰ লগত যাৱতীয় যোগাযোগ সম্পন্ন কৰে।

**পৰ্য্যায় ৪ঃ** ইয়াৰ পিছত অটল অমৃত অভিযানৰ ৰূপায়ন সহায়ক এজেন্সিটোৱে সংশ্লিষ্ট হস্পিতালখনৰ যোগাযোগৰ প্ৰত্যোত্তৰ দিব —

১) ৰোগী আৰু হস্পিতাল সম্পৰ্কীয় সকলো চৰ্তাৱলী পৰীক্ষা কৰি ৰূপায়ন সহায়ক এজেন্সিটোৱে অটল অমৃত অভিযানৰ অধীনত চিকিৎসাৰ অনুমোদন ২৪ ঘণ্টাৰ ভিতৰত জনাব।

২) বিশদ তথ্য এজেন্সিটোৱে সংগ্ৰহ কৰিব।

৩) যদি চৰ্তাৱলীৰ পৰীক্ষা নিৰীক্ষা কৰি অনুমোদনযোগ্য নহয় তেন্তে সংশ্লিষ্ট পক্ষক এজেন্সিটোৱে তৎকালে জনাব।

**পৰ্য্যায় ৫ঃ** আঁচনিৰ অধীনত হিতাধিকাৰীক তালিকাভুক্ত হস্পিতালে সৰ্বোচ্চ খৰচ সীমাৰ ভিতৰত নগদ বিহীন চিকিৎসা আৰু অস্ত্ৰোপচাৰ উপলব্ধ কৰাব।

## অটল অমৃত অভিযানৰ তালিকাভুক্ত হস্পিতালৰ পৰা অব্যাহতি লোৱাৰ সময়ত হিতাধিকাৰীসকলে কি কৰিব লাগিব?

হিতাধিকাৰীয়ে কাৰ্ডখন সংগ্ৰহ কৰিব লাগিব। চিকিৎসাত কিমান ধন ব্যয় হ'ল জানি ল'ব আৰু হস্পিতালৰ বিলত হস্তাক্ষৰ কৰিব। হস্পিতালত কোনো নগদ ধন আদায় দিবৰ প্ৰয়োজন নাই।

হস্পিতালৰ ফালৰ পৰা কোনো নগদ ধনৰ দাবী উত্থাপন কৰিলে, তৎক্ষণাত ২৪ ঘণ্টীয়া ট'লফ্ৰী নম্বৰত যোগাযোগ কৰিব।

হিতাধিকাৰীয়ে হস্পিতালৰ পৰা উভতি অহাৰ সময়ত প্ৰতিক্ৰিয়া প্ৰদান পত্ৰ (Feedback Report)ত পূৰণ কৰি অহা উচিত।

## মোৰ কিবা ওজৰ-আপত্তি থাকিলে মই কি কৰা উচিত?

আঁচনিৰ লগত জড়িত যি কোনো ওজৰ-আপত্তি থাকিলে ২৪ ঘণ্টীয়া ট'লফ্ৰী নম্বৰ **১ ৮০০ ১০২ ৭৪৮০**ত যোগাযোগ কৰিব পাৰিব বা অধিক জানিবৰ বাবে আমাৰ ৱেবচাইট **www.aaa-assam.com** চাব পাৰে।